# অসম চৰকাৰ

## সহকাৰী সঞ্চালকৰ কাৰ্য্যালয়

## হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগ, ওদালগুৰী

নং ঃ- এ.ডি.এইচ.টি.ইউ,৩৫৭/২০২১-২২/০৭ তাৰিখ ঃ- ২৫/০৭/২০২২

## জাননী

ইয়াৰ দ্বাৰা ওদালগুৰী জিলাৰ সমূহ শিপিনীক জনোৱা হ'ল যে অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অসমৰ শিপিনী সকলৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈ 'স্বনিৰ্ভৰ নাৰী' শীৰ্ষক এখন ধ্বজাবাহী আঁচনি ঘোষণা কৰিছে। এই আঁচনিৰ অধীনত শিপিনী সকলে তেওঁলোকৰ দ্বাৰা উৎপাদিত বস্ত্ৰ যেনে গামোচা, আৰনাই, কাৰ্বি পহ, ৰাভা পাজাৰ, মণিপুৰী খুদেই, ডিমাচা ৰিচা বাচা, মিচিং দুমেৰ, তিৱা ফালি ইত্যাদি swanirbharnaari.assam.gov.in নামৰ অনলাইন পৰ্টেলৰ জৰিয়তে পোনপটীয়াকৈ বিক্ৰীৰ ব্যৱস্থা কৰিছে। তাৰ বাবে শিপিনসকলে উক্ত পৰ্টেলত নিজৰ নাম পঞ্জীয়ন কৰিব লাগিব। এই পঞ্জীয়ন ব্যৱস্থা ১৯ জুলাই ২০২২ ৰ পৰা ০৩ ছেপ্তেম্বৰ ২০২২ লৈ খোলা থাকিব। আবেদনকাৰী অসমৰ স্থায়ী বাসিন্দা হোৱাৰ লগতে নিজাকৈ অতি কমেও এখন তাঁতশাল থাকিব লাগিব। বিভাগীয়া বিষয়াৰ ক্ষেত্ৰভিত্তিক অনুসন্ধান সাপেক্ষে এই পঞ্জীয়ন গৃহীত কৰা হ'ব। এই আঁচনি খনৰ বিষয়ে বিতং ভাৱে জানিবলৈ swanirbharnaari.assam.gov.in ত চাব পাৰিব।

যিকোনো সহায়ৰ বাবে নিম্ন উল্লেখিত বিভাগীয় ব্যক্তিসকলৰ লগত যোগাযোগ কৰিবলৈ কোৱা হ'ল ঃ-

| | | | |
|---|---|---|---|
| ১. | বিমলা খাকলাৰী | জ্যেষ্ঠ পৰিদৰ্শিকা/হিচাপ পৰীক্ষক | ৭০০২৬৪৬৩৫১ |
| ২. | মুনীন্দ্ৰ চন্দ্ৰ লহকৰ | চক্ৰ পৰিদৰ্শক | ৯১০১৪৬৫৭২৬ |
| ৩. | আবুল হুছেইন নুৰানী | প্ৰদৰ্শক | ৮৬৩৮৯৭৮১৭১ |
| ৪. | চিবেন দাস | চক্ৰ পৰিদৰ্শক | ৯৯৫৪৪২১৯১২ |
| ৫. | কস্তুৰী শইকীয়া | প্ৰদৰ্শিকা | ৯৭০৭৬৫৮১৬১ |
| ৬. | সুৰেশ শৰ্মা | প্ৰদৰ্শক | ৯৭০৭৮৫০৫২৯ |

অধিক তথ্যৰ বাবে নিকটবৰ্ত্তী হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ কাৰ্য্যালয়ৰ লগত যোগাযোগ কৰিবলৈ কোৱা হ'ল।

OFFICE OF THE DEPUTY COMMISSIONER
UDALGURI
Received on 27/07/2022
C.R. No. 1006.2
Dy. No.

ভবদীয়া

ৰঞ্জিত মল্ল ডেকা
সহকাৰী সঞ্চালক
হস্ততাঁত আৰু বস্ত্ৰশিল্প, ওদালগুৰী

মেমো নং ঃ- এ.ডি.এইচ.টি.ইউ,৩৫৭/২০২১-২২/৩৭ তাৰিখ ঃ- ২৫/০৭/২০২২

প্ৰতিলিপি প্ৰেৰণ কৰা হ'ল ঃ-

১. মাননীয় উপায়ুক্ত, ওদালগুৰী জিলা। তেখেতৰ জ্ঞাতাৰ্থে।
২. মাননীয় সঞ্চালক, হস্ততাঁত আৰু বস্ত্ৰশিল্প অসম, গুৱাহাটী। তেখেতৰ জ্ঞাতাৰ্থে।
৩. মাননীয় সঞ্চালক, বি টি চি, হস্ততাঁত আৰু বস্ত্ৰশিল্প, কোকৰাঝাৰ। তেখেতৰ জ্ঞাতাৰ্থে।
৪. জিলা তথ্য আৰু জনসংযোগ বিষয়া, ওদালগুৰী। তেখেতৰ জ্ঞাতাৰ্থে ও বহুল প্ৰচাৰৰ বাবে।
৫. জিলা প্ৰকল্প সমন্বয়ক অসম ৰাজ্যিক জীৱিকা অভিযান, ওদালগুৰী। তেখেতৰ জ্ঞাতাৰ্থে আৰু বহুল প্ৰচাৰৰ বাবে।
৬. সহকাৰী সঞ্চালক ৰেচম বিভাগ, ওদালগুৰী। তেখেতৰ জ্ঞাতাৰ্থে।
৭. হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগ, ওদালগুৰীৰ সমূহ কৰ্মচাৰী সকলৰ জ্ঞাতাৰ্থে আৰু বহুল প্ৰচাৰৰ বাবে।
৮. কাৰ্য্যালয়ৰ জাননী ফলক।

CC 25/07/22

সহকাৰী সঞ্চালক
হস্ততাঁত আৰু বস্ত্ৰশিল্প, ওদালগুৰী